# ভাৰতীয় টকাত (INR) ভাৰত-মালয়েছিয়াৰ বাণিজ্যৰ বন্দৱস্তি

এপ্রিল 01, 2023

ভাৰত আৰু মালয়েছিয়াৰ মাজৰ বাণিজ্য বৰ্তমানৰ অন্যান্য মুদ্ৰাত বন্দৱস্তি কৰাৰ পদ্ধতিৰ উপৰিও ভাৰতীয় টকা (INR)ত বন্দৱস্তি কৰিব পৰা যাব। ভাৰতীয় ৰিজাৰ্ভ বেংকে 2022 চনৰ জুলাই মাহত ভাৰতীয় টকা (INR)ত আন্তঃৰাষ্ট্ৰীয় বাণিজ্য বন্দৱস্তিৰ অনুমতি দিয়াৰ সিদ্ধান্ত লোৱাৰ পিছতে এই কথা প্ৰকাশ পাইছে। আৰবিআইৰ এই পদক্ষেপৰ উদ্দেশ্য হৈছে গোলকীয় বাণিজ্যৰ বৃদ্ধিত সুবিধা প্ৰদান কৰা আৰু ভাৰতীয় টকা (INR)ৰ গোলকীয় বানিজ্যিক সম্প্ৰদায়ৰ স্বাৰ্থক সহায় কৰা।

2. কুৱালালামপুৰত অৱস্থিত ইণ্ডিয়া ইণ্টাৰনেশ্যনেল বেংক অৱ মালয়েছিয়াই (আইআইবিএম) ভাৰতত থকা ইয়াৰ সম্পৰ্কিত বেংক অৰ্থাৎ ইউনিয়ন বেংক অৱ ইণ্ডিয়াৰ জৰিয়তে স্পেচিয়েল ৰুপী ভষ্ট্ৰ' একাউণ্ট খুলি এই ব্যৱস্থাটো কাৰ্যক্ষম কৰি তুলিছে।

3. ভাৰতীয় টকাত (INR) ভাৰত-মালয়েছিয়াৰ বাণিজ্যিক বন্দৱস্তিৰ বিষয়ে অধিক তথ্যৰ বাবে অনুগ্ৰহ কৰি আইআইবিএমৰ ৱেবছাইট (www.Indiainternationalbank.com.my)ত উপলব্ধ FAQ পৰীক্ষা কৰক।

**নতুন দিল্লী**

**এপ্রিল 01, 2023**